# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 15-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

00000

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰত আৰু চীনৰ সীমান্তত অৱস্থিত নদীসমূহৰ চীনৰ অংশত থকা জলভাগৰ তথ্য ভাৰতক অৱগত কৰোৱাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ওড়িশা ৰবেঞ্চ' বিশ্ববিদ্যালয়ৰ ত্ৰয়োদশ সমাৱৰ্তনত অংশগ্ৰহণ কৰিব।

৩। কানাডাৰ ট'ৰণ্ট' চহৰত উলিওৱা ৰথ যাত্ৰাৰ সময়ত একাংশ দুষ্কৃতিকাৰীয়ে ব্যাঘাত জন্মোৱা কাৰ্যৰ বিৰুদ্ধে ভাৰতে তীব্ৰভাৱে গৰিহণা দিছে।

৪। ছিকিমৰ পাক্য়ং জিলাৰ য়াকটেন গাঁৱত কালি দেশৰ প্ৰথমখন ডিজিটেল যাযাবৰ গাঁও আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। ***আৰু***

৫। এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফীৰ তৃতীয়খন টেষ্টত ইংলেণ্ডে ভাৰতক ২২ ৰানত পৰাস্ত কৰি শৃংখলাত ২-১ৰ অগ্ৰগতি লাভ কৰিছে।

00000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰত আৰু চীনৰ সীমান্তত অৱস্থিত নদীসমূহৰ ক্ষেত্ৰত সহযোগিতা আৰু চীনৰ অংশত থকা ইয়াৰ জলভাগৰ তথ্য ভাৰতক অৱগত কৰোৱাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। বেইজিঙত অনুষ্ঠিত দ্বিপাক্ষিক বৈঠকত কালি চীনৰ বৈদেশিক মন্ত্ৰী ৱাং য়িৰ উপস্থিতিত ড০ জয়শংকৰে এই মন্তব্য প্ৰকাশ কৰে। এই বৈঠকতে বৈদেশিক মন্ত্ৰীগৰাকীয়ে দুয়োখন দেশৰ মাজত বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতাৰ পথত থকা বাধাসমূহ আঁতৰোৱাৰ সন্দৰ্ভতো আলোচনা কৰে। ড০ জয়শংকৰে সীমান্তত বিৰাজ কৰা শান্তিয়ে ভাৰত আৰু চীনৰ মাজত দ্বিপাক্ষিক সম্পৰ্কক ইতিবাচক প্ৰভাৱ পেলোৱা বুলি মন্তব্য কৰে। তেওঁ কৈলাশ মানসৰোবৰ যাত্ৰাত চীনে আগবঢ়োৱা সহযোগিতাৰ বাবে দেশখনৰ প্ৰশংসা কৰে। দুয়ো দেশৰ জনসাধাৰণৰ  মাজত ভাৱ বিনিময় কৰাৰ লগতে ভ্ৰমণ আৰু পোনপটীয়া বিমান সংযোগ স্থাপনৰ বাবেও এই বৈঠকত দুয়ো দেশে সন্মতি প্ৰকাশ কৰে। ড০ জয়শংকৰে চীনৰ বৈদেশিক মন্ত্ৰী ৱাং য়িৰ সৈতে বেইজিঙত হোৱা এখন বৈঠকত হোৱা ভাৰত আৰু চীনৰ মাজত ক্ৰমাৎ ইতিবাচক সম্পৰ্ক গঢ় লৈ উঠা বুলিও মন্তব্য কৰে। তেওঁ কয়, যে দুয়োখন দেশে বিগত ৯ মাহত দ্বিপাক্ষিক সম্পৰ্ক স্বাভাৱিক কৰাৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছে। দুয়ো দেশৰ জনসাধাৰণৰ স্বাভাৱিক সম্পৰ্ক আৰু ভাৱ বিনিময়ে ভাৰত আৰু চীন উভয়কে লাভান্বিত কৰিব বুলি ড০ জয়শংকৰে মত প্ৰকাশ কৰে।

00000

কানাডাৰ ট'ৰণ্ট' চহৰত উলিওৱা ৰথ যাত্ৰাৰ সময়ত একাংশ দুষ্কৃতিকাৰীয়ে ব্যাঘাত জন্মোৱা কাৰ্যৰ বিৰুদ্ধে ভাৰতে তীব্ৰভাৱে গৰিহণা দিছে। এই ঘটনাৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে শাস্তিৰ ব্যৱস্থা কৰিবলৈ ভাৰতে কানাডাৰ কৰ্তৃপক্ষক আহ্বান জনাইছে। সাংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে এই ঘটনা সন্দৰ্ভত কয়, যে ৰথ যাত্ৰাৰ সময়ত একাংশ দুষ্কৃতিকাৰীয়ে ব্যাঘাত জন্মোৱাৰ বিষয়ে আমি অৱগত হৈছো। তেওঁ কয়, যে এই কাৰ্য অতি ঘৃণনীয় আৰু একতা, সম্প্ৰীতি তথা উৎসৱৰ বিৰোধী। শ্ৰীজয়ছোৱালে কয়, যে কানাডাৰ কৰ্তৃপক্ষৰ ওচৰত ভাৰতে ঘটনাৰ তদন্তৰ দাবী কৰিছে। কানাডাৰ চৰকাৰে ইয়াৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে জনসাধাৰণৰ ধৰ্মীয় অধিকাৰক ৰক্ষণাবেক্ষণ দিব বুলি শ্ৰীজয়ছোৱালে আশা প্ৰকাশ কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে আজি ওড়িশাৰ ৰবেঞ্চ' বিশ্ববিদ্যালয়ৰ ত্ৰয়োদশ সমাৱৰ্তনত অংশগ্ৰহণ কৰাৰ লগতে কটকত অৱস্থিত ৰবেঞ্চ' ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় পুনৰ নিৰ্মাণৰ বাবে কেইবাটাও ভৱনৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমতী মুৰ্মুৱে ওড়িশাৰ প্ৰসিদ্ধ কবি তথা বুদ্ধিজীৱী আদিকবি সৰলা দাসৰ জয়ন্তীত অংশগ্ৰহণ কৰাৰ লগতে কটকত তেওঁ কলিংগ ৰত্ন পুৰস্কাৰ ২০২৪ অনুষ্ঠানত উপস্থিত থাকিব।

দুদিনীয়া ভ্ৰমণসূচীৰে কালি ভূৱনেশ্বৰত উপস্থিত হোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুক ৰাজ্যপাল হৰিবাবু কম্ভাপতি, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু জ্যেষ্ঠ চৰকাৰী বিষয়াসকলে ওড়িশাৰ বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আদৰণি জনায়। ৰাষ্ট্ৰপতিগৰাকীক ওড়িশাৰ পৰম্পৰাগত লোক নৃত্যৰে সম্ভাষণ জনোৱা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কালি ভূৱনেশ্বৰত অৱস্থিত সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান এইমছৰ পঞ্চম সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত শ্ৰীমতী মুৰ্মুৱে ৩১ গৰাকী ছাত্ৰ-ছাত্ৰীক স্বৰ্ণ পদক প্ৰদান কৰাৰ লগতে ৬৪৩ গৰাকী শিক্ষাৰ্থীক স্বাস্থ্য সেৱা বিষয়ক ডিগ্ৰী প্ৰদান ৰুৰে।

০০০০০

ওড়িশাৰ বালাচ'ৰত অৱস্থিত ফকিৰ মোহন অট'নমাছ কলেজৰ এগৰাকী ছাত্ৰীৰ কালি চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মহাবিদ্যালয়খনৰ এগৰাকী সহকাৰী অধ্যাপকে যৌন নিৰ্যাতন চলোৱাৰ পাছত জুইত আত্মজাহ দিয়াৰ চেষ্টা চলোৱা ছাত্ৰীগৰাকীৰ দেহৰ ৯৫ শতাংশ জ্বলি গৈছিল আৰু তেওঁক সংকটজনক অৱস্থাত ভূৱনেশ্বৰৰ এইমছত ভৰ্তি কৰোৱা হৈছিল। দুদিনীয়া ভ্ৰমণসূচীৰে কালি ওড়িশাত উপস্থিত হোৱা ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ভূৱনেশ্বৰৰ এইমছত উপস্থিত হৈ মৃত ছাত্ৰীগৰাকীৰ পিতৃ-মাতৃক সাক্ষাৎ কৰে আৰু এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰে। আৰক্ষীয়ে ইতিমধ্যে ছাত্ৰীগৰাকীক যৌন নিৰ্যাতন চলোৱা মূল অভিযুক্ত তথা মহাবিদ্যালয়খনৰ সহকাৰী অধ্যাপকগৰাকীক গ্ৰেপ্তাৰ কৰিছে। এই ঘটনাৰ সৈতে জড়িতৰ সন্দেহত আৰক্ষীয়ে মহাবিদ্যালয়খনৰ অধ্যক্ষকো আটক কৰিছে। উড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ছাত্ৰীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০

ছিকিমৰ পাক্য়ং জিলাৰ য়াকটেন গাঁৱত  কালি দেশৰ প্ৰথমখন ডিজিটেল যাযাবৰ গাঁও আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। ৰাজ্যৰ মহিলা, শিশু, জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ কল্যাণ বিভাগৰ উপদেষ্টা তথা বিধায়ক পামিন লেপচাই এই গাঁও মুকলি কৰে। এই প্ৰচেষ্টাৰ উদ্দেশ্য হৈছে বহনক্ষম তথা

দুৰ্গম অঞ্চলতো উন্নত ডিজিটেল ব্যৱস্থাৰ সুবিধা উপলব্ধ কৰোৱা, যাতে অঞ্চলটোৰ জনসাধাৰণ আৰু অস্থায়ীভাৱে থকা লোকসকলেও এই সুবিধা লাভ কৰিব পাৰে।

০০০০০

ভাৰতে অজীৱাশ্ম ইন্ধনৰ পৰা ৫০ শতাংশ বিদ্যুৎ আহৰণ কৰি শক্তি আহৰণৰ যাত্ৰাত উল্লেখযোগ্য সফলতা লাভ কৰিছে। ইয়াৰ জৰিয়তে জলবায়ু পৰিৱৰ্তন আৰু বহনক্ষম উন্নয়নৰ প্ৰতি দায়বদ্ধতা তথা পৰিষ্কাৰ শক্তি আহৰণৰ লক্ষ্যক ভাৰত চৰকাৰে কাৰ্যত পৰিণত কৰিছে। কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয়, যে বিশ্বই জলবায়ু সমস্যা সমাধানৰ বাবে পথ বিচাৰি থকাৰ সময়তে ভাৰতে এই কাৰ্যকৰী পথৰ সন্ধান দিছে।

০০০০০

বিহাৰে দশম জুনিয়ৰ ৰাষ্ট্ৰীয় ৰাগবী 7-S চেম্পিয়নশ্বিপ ২০২৫'ৰ খিতাপ অৰ্জন কৰিছে। দলটোৱে কালি ডেৰাডুনৰ মহাৰাণা প্ৰতাপ স্প'ৰ্টছ কলেজত অনুষ্ঠিত ৰোমাঞ্চকৰ ফাইনেলত যোৱাবাৰৰ বিজয়ী ওড়িশাক ১৭-১৫ গ'লত পৰাস্ত কৰি ল'ৰাৰ ১৮ বছৰ অনুৰ্ধৰ খিতাপ দখল কৰে।

ইয়াৰ পূৰ্বে চণ্ডীগড়, হাৰিয়ানা, পঞ্জাৱ, পশ্চিমবংগ আৰু মহাৰাষ্ট্ৰ আদি শক্তিশালী দলৰ বিৰুদ্ধে চমকপ্ৰদ প্ৰদৰ্শন কৰা বিহাৰৰ দলটো সমগ্ৰ প্ৰতিযোগিতাত অপৰাজিত হৈ ৰয়। চলিত সপ্তাহতে বিহাৰে প্ৰতিযোগিতাখনৰ ছোৱালীৰ খিতাপো লাভ কৰিছিল। ২০২২ চনতো ৰাজ্যখন উভয় শাখাৰ চেম্পিয়ন হৈছিল।

ইপিনে, প্ৰতিযোগিতাৰ তৃতীয় স্থানৰ খেলখনত মহাৰাষ্ট্ৰই তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত দিল্লীক পৰাস্ত কৰে

০০০০০

ভাৰতৰ আৰ বৈশালী আৰু হৰিকা দ্ৰোণাৱল্লীয়ে জৰ্জিয়াৰ বাটুমিত অনুষ্ঠিত ফিডে মহিলা দবা বিশ্বকাপৰ তৃতীয় ৰাউণ্ডৰ এখন খেলত টাই-ব্ৰেকত জয়লাভ কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতৰ কনেৰু হাম্পি আৰু দিব্যা দেশমুখো ইতিমধ্যে প্ৰি-কোৱাৰ্টাৰ ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে।

পূৰ্বৰ গেমসমূহ ড্ৰ' হোৱাৰ পাছত ১০+১০ ৰেপিড টাই-ব্ৰেকত বৈশালীয়ে আমেৰিকাৰ কেৰিছা য়িপক পৰাস্ত কৰে। খেলুৱৈগৰাকী পৰৱৰ্তী খেলত ডিফেণ্ডিং চেম্পিয়ন আলেকজেণ্ডাৰ গোৰিয়াচকিনাক নক আউট কৰা কাজাখস্তানৰ মেৰুৱেৰ্ট কামালিডেনোভাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, ভাৰতৰ হৰিকা দ্ৰ'ণাভাল্লীয়েও টাই-ব্ৰেকত গ্ৰীচৰ ষ্টাভ্ৰ'লা ছ'লাকিডুক পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰগতি লাভ কৰে। পৰৱৰ্তী খেলত হৰিকা ৰাছিয়াৰ কেটেৰিনা লাগনোৰ মুখামুখি হ'ব।

আনহাতে, দিব্যা দেশমুখ চীনৰ জু জিনাৰৰ বিৰুদ্ধে আৰু কনেৰু হাম্পিয়ে পৰৱৰ্তী ৰাউণ্ডত ছুইজাৰলেণ্ডৰ আলেকজেণ্ড্ৰা কষ্টেনিউকৰ বিৰুদ্ধে খেলিব।

০০০০০

আজি টকিঅ'ত আৰম্ভ হ'বলগীয়া জাপান অ'পেন ছুপাৰ-750 প্ৰতিযোগিতাত ভাৰতৰ শীৰ্ষ বেডমিণ্টন যুটি সাত্বিক-ছাইৰাজ ৰেংকিৰেড্ডী আৰু চিৰাগ শ্বেট্টীয়ে ডাবলছ্ শাখাত দেশক প্ৰতিনিধিত্ব কৰিব।

মালয়েছিয়া অ'পেন, ইণ্ডিয়া অ'পেন তথা ছিংগাপুৰ অ'পেনৰ ছেমি ফাইনেলত আৰু ইণ্ডোনেছিয়া অ'পেনৰ কোৱাৰ্টাৰ ফাইনেল পৰ্যায়ত শেহতীয়াকৈ বিদায় ল'বলগীয়া হোৱা বিশ্বৰ ১৫ নং স্থানৰ যুটীটো এই প্ৰতিযোগিতাত অধিক উন্নত প্ৰদৰ্শনেৰে বৰ্ষটোৰ প্ৰথম খিতাপ দখলৰ লক্ষ্যৰেই খেলিবলৈ নামিব। যুটীটোৱে কোৰিয়াৰ কাং মিন হ্যুক্ আৰু কি ডং জুৰ বিৰুদ্ধে খেলিব।

লক্ষ্য সেন আৰু পিভি সিন্ধুৱে শেহতীয়া আঘাতৰ পাছত এই প্ৰতিযোগিতাতেই শক্তিশালী প্ৰত্যাৱৰ্তন কৰাৰ আশা কৰা হৈছে। বিশ্বৰ ১৮ নম্বৰ স্থানত থকা লক্ষ্যই একক শাখাৰ নিজৰ প্ৰথমখন খেলত চীনৰ ৱাং ঝেং জিঙৰ বিৰুদ্ধে আৰু ১৬ নম্বৰ স্থানৰ সিন্ধুৱে কোৰিয়াৰ ছিম ইউ জিনৰ বিৰুদ্ধে খেলিব ।

টাইপেই অ'পেনত ছেমি ফাইনেলত প্ৰৱেশ কৰি চমক দিয়া উন্নতি হুডাই প্ৰথমখন খেলত সপ্তম বাছনিৰ থাইলেণ্ডৰ পৰ্ণপাৱি চ'চুৱঙৰ বিৰুদ্ধে তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে । ইপিনে, উদ্বোধনী ৰাউণ্ডৰ আন এখন খেলত অনুপমা উপাধ্যায় ভাৰতৰেই ৰক্ষিতা ৰামৰাজৰ সন্মুখীন হ'ব।

পুৰুষৰ ডাবলছত হৰিহৰণ আম-ছাকাৰুনন আৰু ৰুবন কুমাৰ তৃতীয় বাছনিৰ কোৰিয়াৰ কিম্ ৱন হো আৰু ছিও চেউং জেৰ বিৰুদ্ধে খেলিব। মহিলাৰ ডাবলছত কবিপ্ৰিয়া চেলভাম্ আৰু ছিমৰন্ সিংঘীয়ে হংকঙৰ লুই লোক আৰু ছাং হিউ য়ানৰ বিৰুদ্ধে তথা পাণ্ডা ভগ্নীদ্বয় ৰুতাপৰ্ণা আৰু শ্বেতাপৰ্ণা জাপানৰ কোকোনা ইছিকাৱা আৰু মাইকো কাৱাজোৱেৰ সন্মুখীন হ'ব। অৱশ্যে মিক্সড্ ডাবলছত কোনো ভাৰতীয় খেলুৱৈয়ে এইবাৰ প্ৰতিদ্বন্দিতা নকৰে।

০০০০০

এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফীৰ তৃতীয়খন টেষ্টত ইংলেণ্ডে ভাৰতক ২২ ৰানত পৰাস্ত কৰি শৃংখলাত ২-১ৰ অগ্ৰগতি লাভ কৰিছে। লৰ্ডছত কালি অনুষ্ঠিত তৃতীয় টেষ্টৰ অন্তিম দিনা ১৯৩ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ নমা ভাৰতে ১৭০ ৰানতেই আটাইকেইটা উইকেট হেৰুৱায়। ৰবীন্দ্ৰ জাদেজা ৬১ ৰানত অপৰাজিত হৈ ৰয়। ইংলেণ্ডৰ বেন ষ্ট'কছ্ আৰু জ'ফ্ৰা আৰ্চাৰে তিনিটাকৈ উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে দুয়োটা দলেই প্ৰথম ইনিংছত ৩৮৭ ৰানকৈ সংগ্ৰহ কৰিছিল। বেন ষ্ট'কছ্ক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

০০০০০

সমাপ্ত